# গণতন্ত্ৰ আৰু ইয়াৰ নীতিসমূহ

## অনুশীলনী

**প্ৰশ্ন ১। দুটা শব্দৰে উত্তৰ দিয়া –**

( ক ) ভাৰতবৰ্ষৰ শাসন ব্যৱস্থা গণতান্ত্ৰিক নে ৰাজতান্ত্ৰিক ?

**উত্তৰঃ** গণতান্ত্ৰিক ।

( খ ) ভোটদানৰ অধিকাৰ মৌলিক অধিকাৰ হয়নে ?

**উত্তৰঃ** নহয় ।

( গ ) এটা দহ বছৰীয়া ল’ৰাই ভোট দিব পাৰেনে ?

**উত্তৰঃ** নোৱাৰে ।

( ঘ ) দেশৰ বাবে মৃত্যুবৰণ কৰাজনক কি বুলি কোৱা হয় ?

**উত্তৰঃ** ছহিদ ।

**প্ৰশ্ন ২। খালী ঠাই পূৰণ কৰা—**

( ক ) শিক্ষা গ্ৰহণৰ অধিকাৰ শিশুৰ ……………… অধিকাৰ ।

**উত্তৰঃ** শিক্ষা গ্ৰহণৰ অধিকাৰ শিশুৰ মৌলিক অধিকাৰ ।

( খ ) ………………. চনত ভাৰত স্বাধীন হয় ।

**উত্তৰঃ** ১৯৪৭ চনত ভাৰত স্বাধীন হয় ।

( গ ) ১৮ বছৰ বয়স হ’লেহে …………………. অধিকাৰ লাভ কৰিব পাৰি ।

**উত্তৰঃ** ১৮ বছৰ বয়স হ'লেহে ভোটদানৰ অধিকাৰ লাভ কৰিব পাৰি ।

( ঘ ) প্ৰতিনিধিত্বৰ দ্বাৰা চলোৱা গণতান্ত্ৰিক শাসনক ……………… গণতন্ত্ৰ বোলে ।

**উত্তৰঃ** প্ৰতিনিধিত্বৰ দ্বাৰা চলোৱা গণতান্ত্ৰিক শাসনক পৰোক্ষ গণতন্ত্ৰ বোলে ।

**প্ৰশ্ন ৩। দুটা বা তিনিটা শব্দৰে উত্তৰ দিয়া –**

( ক ) গণতন্ত্ৰৰ দুটা মূল নীতি উল্লেখ কৰা ।

**উত্তৰঃ** স্বাধীনতা , সমতা , ন্যায় , অধিকাৰ আদি ।

( খ ) স্বাধীনতা সংগ্ৰামৰ দুজন ছহিদৰ নাম লিখা

**উত্তৰঃ** কনকলতা বৰুৱা আৰু কুশল কোঁৱৰ ।

( গ ) স্বাধীনতা সংগ্ৰামৰ দুটা আদৰ্শৰ নাম লিখা ।

**উত্তৰঃ** সত্যাগ্ৰহ , অহিংসা আদি ।

( ঘ ) দুবিধ ৰাজহুৱা সম্পত্তিৰ নাম লিখা ।

**উত্তৰঃ** শিক্ষানুষ্ঠান , চিকিৎসালয় আদি ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**( ক ) চমু উত্তৰ দিয়া –**

প্ৰশ্ন ১। গণতন্ত্ৰ মানে কি ?

**উত্তৰঃ** গণতন্ত্ৰ হৈছে জনসাধাৰণৰ শাসন ।

প্ৰশ্ন ২। "গণতন্ত্ৰ হৈছে জনগণৰ বাবে জনগণৰ দ্বাৰা পৰিচালিত জনগণৰ চৰকাৰ ।" — সংজ্ঞাটো কাৰ ?

**উত্তৰঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি আব্ৰাহাম লিঙ্কন ।

প্ৰশ্ন ৩। প্ৰত্যক্ষ গণতন্ত্ৰ কাক বা◌েলে ?

**উত্তৰঃ** যি গণতান্ত্ৰিক শাসন ব্যৱস্থাত জনসাধাৰণে শাসনকাৰ্যত পা◌েনপটীয়াকৈ অংশ গ্ৰহণ কৰে তেনে গণতান্ত্ৰিক শাসন ব্যৱস্থাক প্ৰত্যক্ষ বা পা◌েনপটীয়া গণতন্ত্ৰ বা◌েলে ।

প্ৰশ্ন ৪। পৰা◌েক্ষ গণতন্ত্ৰ কাক বা◌েলে ?

**উত্তৰঃ** যি গণতান্ত্ৰিক শাসন ব্যৱস্থাত জনসাধাৰণে তেওঁলা◌েকৰ দ্বাৰা নিৰ্বাচিত প্ৰত্বিনিধিৰ দ্বাৰা শাসন চলায় , তেনে গণতন্ত্ৰক পৰা◌েক্ষ বা প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ বোলে ।

প্ৰশ্ন ৫। ছহিদ কাক বা◌েলে ?

**উত্তৰঃ** দেশৰ বাবে মৃত্যুবৰণ কৰা সকলক ছহিদ বা◌েলা হয় ।

প্ৰশ্ন ৬। দক্ষিণ আফ্ৰিকাৰ স্বাধীনতা সংগ্ৰামৰ নেতাগৰাকীৰ নাম কি ?

**উত্তৰঃ** নেলচন মাণ্ডেলা ।

প্ৰশ্ন ৭। দক্ষিণ আফ্ৰিকাত গণতন্ত্ৰ কেতিয়া প্ৰতিষ্ঠা হৈছিল ?

**উত্তৰঃ** ১৯৯৪ চনত ।

প্ৰশ্ন ৮। ভাৰতৰ সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰ কেইটা ?

**উত্তৰঃ** ছটা ।

প্ৰশ্ন ৯। শিশুৰ শিক্ষাৰ অধিকাৰক কেতিয়া মৌলিক অধিকাৰ বুলি স্বীকৃতি দিয়া হয় ?

**উত্তৰঃ** ২০১০ চনৰ পৰা ।

প্ৰশ্ন ১০। ভাৰতৰ সংবিধানত নাগৰিকৰ কেইটা কৰ্তব্যৰ কথা উল্লেখ কৰা হৈছে ?

**উত্তৰঃ** ১০ টা । অৱশ্যে শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়াৰ পাছত আন এটা মৌলিক কৰ্তব্যও সন্নিৱিষ্ট কৰা হৈছে । সেইটো হ’ল— ৬ বছৰৰ পৰা ১৪ বছৰৰ প্ৰতিটো শিশুকে বিদ্যালয়লৈ পঠোৱাটো পিতৃ – মাতৃৰ পৰম কৰ্তব্য । গতিকে বৰ্তমান মৌলিক কৰ্তব্য ১১ টা ।

**( খ ) উত্তৰ লিখা—**

**প্ৰশ্ন ১। স্বাধীনতা বুলিলে কি বুজা ?**

**উত্তৰঃ** সাধাৰণভাৱে স্বাধীনতা বুলি ক’লে নিজৰ ইচ্ছামতে সকলো কাম কৰাকে বুজা যায় । কিন্তু গণতন্ত্ৰত স্বাধীনতা মানে সীমাহীন স্বাধীনতাক নুবুজায় । গণতন্ত্ৰত স্বাধীনতা মানে হৈছে আনৰ অসুবিধা নোহোৱাকৈ নিজৰ শাৰীৰিক , মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে লাভ কৰা সুবিধাসমূহ ।

**প্ৰশ্ন ২। সমতা বুলিলে কি বুজা ?**

**উত্তৰঃ** গণতন্ত্ৰৰ এটা উল্লেখযোগ্য নীতি হৈছে সমতা । সমতাৰ অৰ্থ হ’ল সকলো লোকেই সমান। অৰ্থাৎ , সকলো লোকেই আইনৰ দৃষ্টিত সমান । জাতি , ধৰ্ম , বৰ্ণ , লিংগ নিৰ্বিশেষে সকলো লোকৰ বাবে একেই আইন , একেই শাসন , একেই বিচাৰ। জাতি , ধৰ্ম , লিংগৰ ভিত্তিত কাকো ন্যায়ৰ পৰা বঞ্চিত কৰা নহয় ।

**প্ৰশ্ন ৩। অধিকাৰ বুলিলে কি বুজা ?**

**উত্তৰঃ** নিজৰ ব্যক্তিত্বৰ বিকাশৰ বাবে সকলোকে কিছুমান কাম কৰাৰ সুবিধাৰ প্ৰয়োজন । এই সুবিধাসমূহ দেশৰ সংবিধান বা আইনৰ দ্বাৰা জনসাধাৰণক উপভোগ কৰিবলৈ দিয়া হয় তেতিয়া সেইবোৰক অধিকাৰ বোলা হয় । এখন গণতান্ত্ৰিক দেশত সকলো নাগৰিককে একে অধিকাৰ প্ৰদান কৰা হয় ।

**প্ৰশ্ন ৪। ৰাজনৈতিক অধিকাৰ বুলিলে কি বুজা ?**

**উত্তৰঃ** গণতন্ত্ৰত কেৱল নাগৰিকসকলৰ বাবে থকা বিশেষ অধিকাৰসমূহেই হৈছে ৰাজনৈতিক অধিকাৰ । ভোটদানৰ অধিকাৰ , নিৰ্বাচন প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ আদি ৰাজনৈতিক অধিকাৰ । ৰাজনৈতিক অধিকাৰৰ জৰিয়তে নাগৰিকসকলে দেশৰ শাসনকাৰ্যত অংশগ্ৰহণ কৰে । ৰাজনৈতিক অধিকাৰ কেৱল প্ৰাপ্তবয়স্ক নাগৰিকেহে উপভোগ কৰে ।

**প্ৰশ্ন ৫। কৰ্তব্য বুলিলে কি বুজা ?**

**উত্তৰঃ** নাগৰিকসকলৰ নিজৰ দেশৰ প্ৰতি কৰণীয় থাকে । গণতান্ত্ৰিক দেশত নাগৰিকৰ এই কৰণীয় খিনিক কৰ্তব্য বুলি অভিহিত কৰা হয় । নিজৰ দেশখনৰ উন্নতি আৰু গণতান্ত্ৰিক ব্যৱস্থা অটুত ৰখা নাগৰিকৰ পৰম কৰ্তব্য । দেশৰ সংবিধান আৰু আইন মানি চলা , দেশৰ প্ৰতি অনুগত হাৈৱা , সকলাোৰে মাজত মিলা – প্ৰীতি , ঐক্য সংহতি অক্ষুন্ন ৰখা , কৰ আদায় দিয়া , নিৰ্বাচনত ভাোটদান কৰা আদি নাগৰিকৰ প্ৰধান কৰ্তব্য ।

**প্ৰশ্ন ৬। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ কেইগৰাকীমান নেতাৰ নাম লিখা।**

**উত্তৰঃ** মহাত্মা গান্ধী , জৱাহৰলাল নেহৰু , চৰ্দাৰ বল্লভভাই পেটেল , নেতাজী সুভাষ চন্দ্ৰ বসু , সৰাোজিনী নাইডু আদি ।

**প্ৰশ্ন ৭। অসমৰ কেইগৰাকীমান স্বাধীনতা সংগ্ৰামীৰ নাম লিখা ।**

**উত্তৰঃ** কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ , দেশভক্ত তৰুণৰাম ফুকন , লাোকপ্ৰিয় গাোপীনাথ বৰদলৈ , চন্দ্ৰপ্ৰভা শইকীয়ানী , কনকলতা বৰুৱা , কুশল কোঁৱৰ , তিলক ডেকা , মুকুন্দ কাকতি , ভাোগেশ্বৰী ফুকননী আদি ।

**প্ৰশ্ন ৮। ভাৰতৰ সংবিধানত উল্লেখ থকা মৌলিক অধিকাৰ কেইটা কি কি ?**

**উত্তৰঃ** ভাৰতৰ সংবিধানত উল্লেখ থকা মৌলিক অধিকাৰ কেইটা হ'ল–

( ১ ) সমতাৰ অধিকাৰ ।

( ২ ) স্বাধীনতাৰ অধিকাৰ ।

( ৩ ) শাোষণৰ বিৰুদ্ধে অধিকাৰ ।

( ৪ ) ধৰ্মৰ অধিকাৰ ।

( ৫ ) সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ । আৰু

( ৬ ) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ ।

**( গ ) উত্তৰ লিখা—**

**প্ৰশ্ন ১। ভাৰতৰ সংবিধানত উল্লেখ থকা মৌলিক অধিকাৰবোৰৰ বিষয়ে লিখা ।**

**উত্তৰঃ** ভাৰতৰ সংবিধানে নাগৰিকক ৬ প্ৰকাৰৰ মৌলিক অধিকাৰ প্ৰদান কৰিছে । প্ৰথমে , সমতাৰ অধিকাৰে জাতি , ধৰ্ম , বৰ্ণ নিৰ্বিশেষে সকলোৰে বাবে সকলো ক্ষেত্ৰতে সমান সুবিধা থকাৰ কথা বুজায় ।

দ্বিতীয়তে , স্বাধীনতাৰ অধিকাৰৰ জৰিয়তে নাগৰিকৰ ব্যক্তিত্ব বিকাশৰ বাবে ৬ ধৰণৰ অধিকাৰ প্ৰদান কৰা হৈছে । সেইকেইটা হৈছে –

১। কথা কোৱা আৰু মত প্ৰকাশৰ অধিকাৰ ।

২। নিৰস্ত্ৰ আৰু শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ ।

৩। সংস্থা গঠনৰ অধিকাৰ ।

৪। দেশৰ ভিতৰত মুকলিকৈ ফুৰা – চকা কৰাৰ অধিকাৰ ।

৫। বসবাস কৰাৰ অধিকাৰ । আৰু

৬। চাকৰি নাইবা ব্যৱসায় কৰাৰ অধিকাৰ ।

তৃতীয়তে , কোনো লোকে যদি আনৰ দ্বাৰা শোষিত হোৱা বুলি ভাৱে তেন্তে সাংবিধানিক উপায়েৰে আইনৰ সহায় লোৱাৰ ব্যৱস্থা আছে ।

চতুৰ্থতে , ভাৰতৰ সংবিধানে ভাৰতবৰ্ষত বসবাস  কৰা প্ৰতিজন নাগৰিককে নিজ নিজ ধৰণেৰে ধৰ্মীয় উপাসনাৰ অধিকাৰ দিছে ।

পঞ্চমতে , ভাৰতবৰ্ষৰ সকলো নাগৰিককে নিজৰ ভাষা – সংস্কৃতি বজায় ৰখা আৰু ৰুচি অনুযায়ী শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ বাবে সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ দিয়া হৈছে ।

ষষ্ঠতে , মৌলিক অধিকাৰসমূহ সুৰক্ষিত কৰাৰ উদ্দেশ্যেৰে সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ প্ৰদান কৰা হৈছে । কোনো ব্যক্তি , সংস্থা বা চৰকাৰৰ কোনো কামে নাগৰিকৰ অধিকাৰত বাধাৰ সৃষ্টি কৰিলে ন্যায়পালিকাৰ কাষ চাপিব পাৰি ।

**প্ৰশ্ন ২। সংবিধানত উল্লেখ থকা নাগৰিকৰ ৫ টা মৌলিক কৰ্তব্য লিখা ।**

**উত্তৰঃ** সংবিধানত থকা ৫ টা মৌলিক কৰ্তব্য হৈ—

( ১ ) সংবিধান মানি চলা , ৰাষ্ট্ৰীয় সংগীত আৰু পতাকাক সন্মান কৰা।

( ২ ) স্বাধীনতা আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহক শ্ৰদ্ধা কৰা ।

( ৩ ) দেশবাসীৰ মাজত একতা সংহতি অক্ষুন্ন ৰখা ।

( ৪ ) দেশক ৰক্ষা কৰা আৰু দেশৰ প্ৰতি সেৱা আগবঢ়োৱা । আৰু

( ৫ ) ভাৰতৰ ঐতিহ্যক সন্মান আৰু ইয়াৰ সংৰক্ষণ কৰা ।